REGIONAL NEWS UNIT
AKASHVANI GUWAHATI

Date : 06-11-2026
Time : 9-25 PM

ASSAMESE NIGHT BULLETIN

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগে লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু ডিফু চিকিৎসা মহাবিদ্যালয়ত নতুনকৈ ৪৩ খন স্নাতকোত্তৰ চিকিৎসা শিক্ষা আসনৰ অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয় যে ইয়াৰ ফলত অসমত স্নাতকোত্তৰ চিকিৎসা শিক্ষাৰ মুঠ আসনৰ সংখ্যা ৮৩৯ খনলৈ বৃদ্ধি পালে। তেওঁ কয় যে চিকিৎসা শিক্ষাৰ সম্প্ৰসাৰণ, আধুনিক স্বাস্থ্য আন্তঃগাথনিৰ বিকাশ আৰু বিশেষজ্ঞ চিকিৎসকৰ সংখ্যা বৃদ্ধিৰ জৰিয়তে অসমে শক্তিশালী, সুলভ আৰু আত্মনিৰ্ভৰশীল স্বাস্থ্য ব্যৱস্থা গঢ়াৰ দিশত দৃঢ়তাৰে আগবাঢ়িছে।

0000

অসম চৰকাৰৰ উদ্যোগত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠান অহা ২৯ নৱেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। দিছপুৰৰ লোকসেৱা সংবাদ সন্মিলন কক্ষত আয়োজিত এটা অনুষ্ঠানত সাংবাদিকৰ আগত এই বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ড০ শৰ্মাই আজি সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহৰ বাবে এটা বিশেষ পোৰ্টেল মুকলি কৰে। sudhakantha.assam.statedatacentre.in নামৰ এই পোৰ্টেলটো আনুষ্ঠানিকভাৱে মুকলি কৰি তেওঁ আগ্ৰহীসকলে অনুষ্ঠানৰ বাবে নিজৰ নাম পঞ্জীয়ন কৰি **ডিজিটেল আমন্ত্ৰণ পত্ৰ** সম্পূৰ্ণ বিনামূলীয়াকৈ সংগ্ৰহ কৰিব পাৰিব বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে নতুন দিল্লীত আয়োজন কৰা সুধাকণ্ঠৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানত বিশিষ্ট সংগীতশিল্পী ঊষা মংগেশকাৰক ডং ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানৰ বিষয়ে সবিশেষ প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কয়, যে অনুষ্ঠানত এহেজাৰ শিল্পীয়ে **'মানুহে মানুহৰ বাবে'** আৰু **'উই আৰ ইন দা ছেম ব'ট ব্ৰাদাৰ'** গীত দুটি পৰিৱেশন কৰিব।

০০০

কৃষি মন্ত্ৰী পীযুষ হাজৰিকাই আজি অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ৰ মীন বিভাগৰ সহযোগত অনুষ্ঠিত এখন বৈঠকত সভাপতিত্ব কৰে। ৰাজ্যৰ প্ৰাকৃতিক জলাশয় আৰু বিলৰ মহলদাৰসকলৰ সৈতে হোৱা এই উচ্চস্তৰীয় বৈঠকত মন্ত্ৰী হাজৰিকাই প্ৰাকৃতিক জলাশয় আৰু বিলসমূহত প্ৰায়োগিকভাৱে মাখানা খেতি আৰম্ভ কৰাৰ বিশেষ উদ্যোগৰ কথা ঘোষণা কৰে। ইতিমধ্যে ৰাজ্যৰ সাত-আঠখন বিলত মাখানা খেতি কৰা হৈছে আৰু মীণ পালকসকলে উপাৰ্জন বৃদ্ধিৰ বাবে এই খেতি অন্য বিলসমূহলৈকো সম্প্ৰসাৰিত কৰাৰ প্ৰয়োজন আছে বুলি মন্ত্ৰী হাজৰিকাই প্ৰকাশ কৰে। ইয়াৰ বাবে বিলসমূহৰ পৰা মেটেকা পৰিষ্কাৰ কৰিবলৈ তেওঁ

মহলদাৰসকলক আহ্বান জনায়। এই খেতিৰ বিপুল অর্থনৈতিক সম্ভাৱনীয়তাৰ বিষয়ে ব্যাখ্যা কৰি তেওঁ কয়, যে মাত্ৰ ২৫ বিঘা মাটিৰ এখন বিলৰ মাখানা খেতিৰ জৰিয়তে বার্ষিক ২৫ লাখ টকালৈকে উপার্জন কৰিব পৰা যায়। প্ৰথম পর্যায়ত অসম মীন উন্নয়ন নিগমৰ অধীনত ১৮৬ খন মীন পামৰ ৩০ শতাংশ বিলত মাখানা খেতিৰ পৰীক্ষামূলক প্ৰকল্প ৰূপায়ণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০

অসম চৰকাৰৰ জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ অধীনৰ বুৰঞ্জী আৰু পূৰাতত্ব সঞ্চালকালয়ৰ উদ্যোগত আয়োজিত ৭ দিনীয়া ঐতিহ্য সপ্তাহ উৎসৱৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানৰ অংশ হিচাপে আজি গুৱাহাটী বিশ্ববিদ্যালয়ত আয়োজিত সন্ধিয়াৰ সুৰ, সংস্কৃতিৰ এটি সন্ধিয়া শীর্ষক অনুষ্ঠানত জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰীদৈমাৰীয়ে কয় যে অসমৰ চহকী ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত বুৰঞ্জী আৰু পূৰাতত্ব সঞ্চালকালয়ৰ ভূমিকা অত্যন্ত গুৰুত্বপূর্ণ। এখন সমাজৰ শিপা আৰু পৰিচয় বুজিবলৈ তাৰ ইতিহাস জনাটো অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে ইয়াৰ ইতিহাস, সংস্কৃতি আৰু পৰম্পৰা সংৰক্ষণ তথা প্ৰচাৰৰ বাবে সদায় দায়বদ্ধতাৰে কাম কৰি আহিছে।

০০০

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত অসমত কর্কট চিকিৎসা আৰু সজাগতা বিষয়ক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিত ভাগ লৈছে মুৰ আৰু ডিঙিৰ কর্কট ৰোগৰ শল্য চিকিৎসক ডাঃ মহামায়া প্ৰসাদ সিং আৰু মহিলাৰ কর্কট ৰোগৰ শল্য চিকিৎসক ডাঃ পংকজ ডেকায়। অনুষ্ঠানটিৰ আঁত ধৰিব পৰিস্মিতা দিহিঙ্গীয়াই।

শ্ৰোতাসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ইউ টিউব চেনেল আৰু ফে'চবুক পেজৰ জৰিয়তেও অনুষ্ঠানটো শুনিবলৈ পাব।

০০০

ওদালগুৰি জিলাৰ লালপানী আৰক্ষীয়ে আজি সন্ধিয়া মাদক দ্ৰব্য বিৰোধী অভিযান চলাই ২৬ কিলোগ্ৰামৰো অধিক ভাং জব্দ কৰে। আৰক্ষীয়ে লগতে নিচাজাতীয় সামগ্ৰীৰ সৰবৰাহত ব্যৱহৃত এখন বাহনো জব্দ কৰে। মাদক দ্ৰব্যখিনিৰ সৰবৰাহৰ সৈতে জড়িত লোকৰ সন্ধানত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০

সমাপ্ত